# মনীষা বেহললৈ 'ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা'

■ স্মাৰক বক্তৃতা



বঁটা গ্ৰহণ কৰিছে মনীষা বেহলে

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ১০ মাৰ্চ ঃ গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ 'ৰাজবালা দাস স্মৃতিৰক্ষা সমিতি'ৰ তৰফৰ পৰা বিশিষ্ট সমাজকৰ্মী মনীষা বেহললৈ আগবঢ়োৱা হয় 'ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা'। ৯ পৃষ্ঠাত



## মনীষা বেহললৈ

উল্লেখ্য, সন্দিকৈ ছোৱালী মহাবিদ্যালয় শিক্ষক গোট আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ যৌথ উদ্যোগত গঠিত 'ৰাজবালা দাস স্মৃতিৰক্ষা সমিতি'ৰ উদ্যোগত এই বছৰৰ পৰা 'ৰাজবালা দাস বাৰ্ষিক বক্তৃতা' আৰু 'ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা' প্ৰদান অনুষ্ঠান আৰম্ভ কৰা হৈছে। নাৰী শিক্ষা আৰু নাৰী মুক্তিৰ অগ্ৰদূত তথা সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজবালা দাসৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ মানসেৰে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাংগণত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। ৮ মাৰ্চত ৰাজবালা দাসৰ জন্মদিনৰ লগত সংগতি ৰাখি প্ৰথম ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা প্ৰদান আৰু ৰাজবালা দাস সোঁৱৰণী ৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰখ্যাত সমাজকৰ্মী ড° মনীষা বেহলক মহিলা সবলীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে 'ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা' প্ৰদান কৰা হয়। এই বঁটাত আছে ৫০ হাজাৰ টকা, এটি স্মাৰক, সম্বৰ্ধনা-পত্ৰ আৰু এখন এড়ী চাদৰ। স্মাৰক প্ৰদান কৰে ৰাজবালা দাসৰ নাতি দেৱজিৎ কুমাৰ দাসে। বঁটা গ্ৰহণ কৰি ড° মনীষা বেহলে সন্দিকৈ ছোৱালী মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰয়াত ৰাজবালা দাসৰ জীৱন, কৰ্ম আৰু দৰ্শনৰ বিষয়ে আলোকপাত কৰাৰ উপৰি নাৰী সমাজৰ উন্নয়নৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। নিজৰ অভিজ্ঞতাৰ ভিত্তিত বেহলে কয় যে বহু সময়ত আৰক্ষীয়ে গোচৰ ৰুজু নকৰাৰ বাবে আৰু আৰক্ষীক গোচৰ নিদিয়াৰ বাবে নাৰী নিৰ্যাতনৰ প্ৰকৃত তথ্য পোহৰলৈ নাহে। মহাপুৰুষ শংকৰদেৱৰ নামধৰ্ম আৰু আধুনিক সমাজ ব্যৱস্থাত নামধৰ্মৰ প্ৰাসংগিকতা সম্পৰ্কেও বক্তব্য দাঙি ধৰে বেহলে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰে সংগতি ৰাখি ৰাজবালা দাসৰ আত্মজীৱনী 'তিনিকুৰি দহ বছৰৰ স্মৃতি' আৰু ইয়াৰ ইংৰাজী অনুবাদ 'Three Score Years and Tear : One Life Many Memories' পুনঃমুদ্ৰন কৰা হয়। উল্লেখযোগ্য যে অসমীয়া মহিলা আত্মজীৱনীকাৰসকলৰ ভিতৰত ৰাজবালা দাস প্ৰথম। ৰাজবালা দাসৰ আত্মজীৱনীখনে সমসাময়িক অসমত নাৰীৰ সামাজিক অৱস্থান আৰু স্ত্ৰী শিক্ষাৰ প্ৰকৃত ছবি তুলি ধৰিবলৈ সক্ষম হৈছে। ইফালে, বিশিষ্ট সাংবাদিক-লেখক-চিত্ৰনিৰ্মাতা সঞ্জয় হাজৰিকাই 'অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত নাৰী, লিংগ আৰু নাৰী সুৰক্ষা' শীৰ্ষক বিষয়ত 'ৰাজবালা দাস সোঁৱৰণী বাৰ্ষিক ৰাষ্ট্ৰীয় বক্তৃতা' প্ৰদান কৰে। ভাষণ প্ৰসংগত হাজৰিকাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নাৰীৰ সুৰক্ষা, নাৰী নিৰ্যাতন আদিৰ ক্ষেত্ৰত তুলনামূলক বিশ্লেষণ দাঙি ধৰে। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° সুব্ৰতা শৰ্মা ভট্টাচাৰ্যই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° শুভশ্ৰী কলিতা তালুকদাৰ আৰু ড° বিদিতা দাসে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শিক্ষকগোটৰ সভাপতি ড° লক্ষী হাজৰিকা আৰু পৰিচালনা সমিতিৰ সভাপতি ড° সুব্ৰতা শৰ্মা ভট্টাচাৰ্যই বক্তব্য দাঙি ধৰে। ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটাৰ স্মাৰক নিৰ্মাণ কৰা বিশিষ্ট ভাস্কৰ্য শিল্পী কৃষ্ণ গোস্বামীক এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়। অধ্যাপক-অধ্যাপিকা, ছাত্ৰী সমন্বিতে পাঁচশৰো অধিক গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰা হৃদয়পৰশা অনুষ্ঠানটিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক ড° বেদব্ৰত শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।